সুপ্ৰভাত
আজিৰ দিনটোতে—
শ্ব দূৰদৰ্শন দিৱস
৯৪১ত টুইটি বাৰ্ডৰ আত্মপ্ৰকাশ
৯৬৪ত ভেৰাজানো নেৰোজ ব্ৰীজ ৰাইচিত মুকলি
৯৭০ত কাৰ্গিলৰ শ্বহীদ কেপ্টেইন জিন্টু গগৈৰ জন্ম
৬৯৪ত ফৰাচী দাৰ্শনিক ভল্টেয়াৰৰ জন্ম
৯৩৮ত নৃত্যশিল্পী হেলেনৰ জন্ম

স্বদেশ আৰু স্বজাতিৰ সেৱাৰ দৃঢ় সংকল্পৰে

নিয়মীয়া বাৰ্তা


শুকুৰবাৰ ☐ ৪ আঘোণ ১৯৪৭ শক ☐ ২১ নৱেম্বৰ ২০২৫ চন ☐ VOL-15 ☐ NO-255 ☐ FRIDAY 21 NOVEMBER 2025 (ডিব্ৰুগড় সংস্কৰণ/DIBRUGARH EDITION) PAGE-1

D.H.S.K. College A.C. Library
Estd
Date
Dibrugarh, Assam

### তিনি মহাবিদ্যালয়ৰ সমূহীয়া অনুষ্ঠান 'ত্ৰিকৰ্ণ' গঠন কৰাৰ পোষকতা

# ডিব্ৰুগড়ত জুবিন গাৰ্গ-চৈয়দ ছাদুল্লাক সোঁৱৰণ তিনি কলেজৰ

**বিশেষ বাৰ্তা, ডিব্ৰুগড়, ২০ নৱেম্বৰ ঃ** যি সময়ত সমগ্ৰ পৃথিৱীত বিভাজনৰ ৰাজনীতি চলিছে, সমগ্ৰ বিশ্বত অৰ্থনৈতিক, ৰাজনৈতিক, সামাজিত দিশত ক্ষুদ্ৰ ক্ষুদ্ৰ ভাগত ভাগ হৈ নিশকতীয়া হৈ পৰিছে, যি সময়ত জাতি-জনগোষ্ঠী, ধৰ্ম, সম্প্ৰদায় ভাগ ভাগ হৈ পৰিছে, সেই সময়তে ডিব্ৰুগড়ৰ তিনি মহাবিদ্যালয় ক্ৰমে ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত), ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ বাণিজ্য মহাবিদ্যালয়, মনোহাৰী দেৱী কানৈ মহিলা মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ উদ্যোগত একত্ৰিত হৈ জুবিন গাৰ্গ আৰু চৈয়দ ছাদুল্লাৰ স্মৃতিচাৰণ অনুষ্ঠানৰ আয়োজন কৰে। জুবিন গাৰ্গৰ ৫৩সংখ্যক জন্মদিন উপলক্ষে তিনি মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ উদ্যোগত ১৮ নৱেম্বৰত অনুষ্ঠিত সভাখন বন্তি প্ৰজ্বলনেৰে উদ্বোধন কৰে ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত)ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই। উদ্বোধনী ভাষণত তেওঁ কয়— এয়া নতুন প্ৰজন্মৰ ইতিবাচক চিন্তা-চৰ্চাৰ ফল। তেওঁ কয় যে পৃথিৱী ক্ষুদ্ৰ ক্ষুদ্ৰ জাতি-জনগোষ্ঠীৰ মাজত বিভাজন হোৱাৰ যি পৰিৱেশ সৃষ্টি হৈছে, সেই সময়তে তিনি মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাই একত্ৰিত হৈ ব্যতিক্ৰম আদৰ্শ দেখুৱাবলৈ সক্ষম হৈছে। তেওঁ কয় যে আজি প্ৰতিযোগিতামূলক যুগত প্ৰথম হ'ব খুজিলে অকলশৰে আগবাঢ়ি যোৱা উচিত। যদিহে সফলতা লাভ কৰিব বিচাৰে, তেন্তে সকলোৱে হাতত হাত ধৰি একেলগে, ঐক্যবদ্ধভাৱে আগবাঢ়ি যোৱা উচিত। তিনি মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা তিনিখনে যিদৰে একতাৰে এক মহান কৰ্ম সাধন কৰি দুগৰাকী বৰেণ্য শিল্পীক স্মৰণ কৰিবলৈ সমৱেত হৈছে সেয়া অসমীয়া জাতিৰ বাবে ইতিবাচক দিশ বুলি তেওঁ উল্লেখ কৰে। জুবিন গাৰ্গৰ জীৱন দৰ্শন উল্লেখ কৰি অধ্যক্ষগৰাকীয়ে কয়— সুৰ যদি সত্য, সুন্দৰ হয়, সপোনৰ হয়, সেই সুৰে মানুহৰ হৃদয় জিনিব পাৰে, মানুহৰ হৃদয়ত স্পন্দন তুলিব পাৰে। জুবিন গাৰ্গৰ কণ্ঠ আৰু সুৰে তিনি মহাবিদ্যালয়ক একত্ৰিত কৰাৰ পৰিৱেশ সৃষ্টি কৰিলে বুলি তেওঁ কয়। অধ্যক্ষগৰাকীয়ে তিনি মহাবিদ্যালয়ে ভাষা-সাহিত্য-সংস্কৃতি, গৱেষণা, অধ্যয়ন সমূহীয়াভাৱে আগুৱাই নিবলৈ 'ত্ৰিকৰ্ণ' নামৰ এটা অনুষ্ঠান জন্ম দিয়াৰ কথা উল্লেখ কৰে। সভাত মনোহাৰী দেৱী কানৈ মহিলা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° অনুপজ্যোতি ভৰালীয়ে তিনিখন মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সভাপতি-সম্পাদকসকলক ধন্যবাদ জনাই কয়— ই এক সুদূৰপ্ৰসাৰী সিদ্ধান্তৰ আৰম্ভণি। তিনি মহাবিদ্যালয়ে ভৱিষ্যতে ইয়াতকৈও অধিক শক্তিশালী ৰূপত সমাজৰ



উত্তৰণৰ বাবে একেলগ হৈ কাম কৰি যাব বুলি তেওঁ কয়। সভাত কানৈ বাণিজ্য মহাবিদ্যালয়ৰ অধ্যক্ষ ড° জয়দেৱ গগৈয়ে একতাৰে কাম কৰি গ'লে জীৱনত সফলতা লাভ কৰিব পাৰে বুলি কয়। একতাই বল আৰু বিভাজনেই দুৰ্বল বুলি উল্লেখ কৰি অধ্যক্ষগৰাকীয়ে এয়া অসমৰ বাবে এক সুখবৰ বুলি উল্লেখ কৰে। তেওঁ সমাজৰ সকলো দিশতে আগুৱাই নিব পৰাকৈ তিনি মহাবিদ্যালয়ৰ সমূহীয়া অনুষ্ঠান 'ত্ৰিকৰ্ণ' গঠন কৰাৰ পোষকতা কৰে। সভাত তিনি মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকা, ছাত্ৰ একতা সভাৰ সভাপতি- সম্পাদকৰ লগতে ছাত্ৰ একতা সভাৰ বিষয়ববীয়াসকল আৰু কেইবাশতাধিক ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে। অনুষ্ঠানত জুবিন গাৰ্গৰ সংগীত চৰ্চা কৰা হয় আৰু নৃত্য-গীত পৰিৱেশন কৰা হয়।